দেশ

মোদী হতাশ, ‘টালি-টোপোলা বন্ধাৰ সময়’ ওচৰ চাপিছে: কংগ্রেছ

‘দিমাগী নক্সাল’ মন্তব্যক লৈ প্রধানমন্ত্রী নৰেন্দ্র মোদীক তীব্র কটাক্ষ কংগ্রেছৰ। জয়ৰাম ৰমেশে কয়, প্রধানমন্ত্রী হতাশ, অস্থিৰ আৰু ব্যাকুল হৈ পৰিছে।

প্রকাশ: ৮ নৱেম্বৰ ২০২৬, নিশা ৯:০১



(NewzNow)

কংগ্রেছে প্রধানমন্ত্রী নৰেন্দ্র মোদীৰ ‘দিমাগী নক্সাল’ মন্তব্যক লৈ তীব্র প্রতিক্রিয়া প্রকাশ কৰিছে। দলটোৰ যোগাযোগ বিভাগৰ সাধাৰণ সম্পাদক জয়ৰাম ৰমেশে কয়, প্রধানমন্ত্রী স্পষ্টভাৱেই হতাশ, অস্থিৰ আৰু ব্যাকুল হৈ পৰিছে; তেওঁৰ ‘টালি-টোপোলা বন্ধাৰ সময়’ দ্রুতগতিত ওচৰ চাপিছে।

ছত্তীশগড়ৰ বস্তাৰত চিআৰপিএফৰ শিবিৰত নিৰাপত্তাৰক্ষীসকলৰ সৈতে দীপাৱলী উদযাপন কৰি মোদীয়ে কয় যে, সশস্ত্র নক্সালবাদীসকল অৰণ্যৰ পৰা নোহোৱা হৈছে যদিও ভাবাদর্শগত সমর্থকসকলৰ ভাবুকি এতিয়াও শেষ হোৱা নাই। তেওঁৰ অভিযোগ, ‘দিমাগী নক্সাল’সকলে বিভিন্ন ৰাজনৈতিক দল আৰু সংগঠনত সোমাই সংবিধান আৰু গণতন্ত্রৰ বিৰুদ্ধে লোকসকলক উচটনি দিছে।

© 2026 NewzNow

> সশস্ত্র নক্সালবাদীসকল অৰণ্যৰ পৰা নোহোৱা হৈছে, কিন্তু দিমাগী নক্সালসকলে বহু সংগঠনৰ নিয়ন্ত্রণ লৈছে। তেওঁলোকক চিনাক্ত কৰি পৰাস্ত কৰিব লাগিব বুলি প্রধানমন্ত্রীয়ে কয়।

মোদীয়ে লগতে কয় যে, চৰকাৰে নক্সাল আৰু বিচ্ছিন্নতাবাদীসকলৰ পুঁজিৰ উৎসত ডাঙৰ আঘাত হনা সিদ্ধান্ত লৈছে। মাওবাদী সন্ত্রাস নির্মূল দেশৰ সঠিক নীতি আৰু দৃঢ় ৰাজনৈতিক ইচ্ছাশক্তিৰ বিজয় বুলিও তেওঁ মন্তব্য কৰে।

ইয়াৰ প্রতিক্রিয়াত জয়ৰাম ৰমেশে এক্সত লিখে যে, দীপাৱলীৰ দিনটোতো প্রধানমন্ত্রীয়ে নিজৰ চিৰপৰিচিত অপমানসূচক ভাষা এৰা নাই। এক গম্ভীৰ, অ-ৰাজনৈতিক অনুষ্ঠানত নিৰাপত্তাৰক্ষীৰ পোছাক পৰিধান কৰি তেওঁ ৰাজনৈতিক প্রতিদ্বন্দ্বীসকলক গালি দিয়া বুলি ৰমেশে অভিযোগ কৰে। ইয়াক প্রতিষ্ঠানগত সকলো নীতি-নিয়মৰ ওপৰত নির্লজ্জ আক্রমণ বুলিও তেওঁ মন্তব্য কৰে।

ৰমেশে কয়, ২০২৪ চনৰ ২৮ এপ্রিলত জাতিভিত্তিক লোকপিয়লৰ দাবীদাৰসকলক মোদীয়ে ‘নগৰীয়া নক্সাল’ আখ্যা দিছিল। পিছত ২০২৫ চনৰ ৩০ এপ্রিলত ২০২৭ চনৰ লোকপিয়লৰ অংশ হিচাপে জাতিভিত্তিক গণনা কৰা হ’ব বুলি ঘোষণা কৰে। ২০২০ চনৰ ছেপ্টেম্বৰত তিনিখন কৃষি আইনৰ বিৰুদ্ধে আন্দোলন কৰাসকলক নক্সাল মতাদর্শৰ সমর্থক বুলিও মোদীয়ে কৈছিল আৰু ২০২১ চনৰ ১৯ নৱেম্বৰত সেই আইনকেইখন প্রত্যাহাৰ কৰিছিল বুলি তেওঁ উল্লেখ কৰে।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/1361/congress-modi-dimagi-naxals-jairam-ramesh